**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চৰকাৰে বিত্তীয় ঘাটিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়াস চলাই আছে

২। ৰাজ্যসভাতো কালি বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়।

৩। কেৰালাৰ ৱায়নাড জিলাত হোৱা ভূমিস্খলনৰ ঘটনাত নিহত লোকৰ সংখ্যা ১২০ লৈ বৃদ্ধি পাইছে।

*আৰু*

৪। পেৰিছ অলিম্পিকৰ আজি পঞ্চম দিনা ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শ্বুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হ'ব। ০০০০০

000000

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চৰকাৰে বিত্তীয় ঘাটিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়াস চলাই আছে আৰু ২০২৫-২৬ বৰ্ষ পৰ্যন্ত বিত্তীয় ঘাটি ৪ দশমিক ৫ শতাংশৰ তললৈ হ্ৰাস কৰাৰ লক্ষ্য স্থিৰ কৰিছে। লোকসভাত কালি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰত কোভিড মহামাৰীৰ প্ৰাদুৰ্ভাৱৰহ পাছত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থনীতি ৰূপে পৰিগণিত হৈছে। ভাৰতবৰ্ষক ২০৪৭ চনৰ ভিতৰত এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে সকলোৱে একেলগে কাম কৰা উচিত বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে যোৱা ৩ বছৰত ভাৰতক দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে দেশৰ নাগৰিক, মধ্যবিত্ত শ্ৰেণী, উদ্যমী, কৃষক, উপান্ত শ্ৰমিক আৰু ব্যৱসায়ীসকলক ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্ব অবিহনে এয়া সম্ভৱ নহ'লহেঁতেন বুলি বিত্ত মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী সীতাৰমনে কয় যে চৰকাৰৰ ব্যয় ক্ৰমাৎ বৃদ্ধি পাইছে আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত চৰকাৰৰ ব্যয়ৰ পৰিমাণ ৪৮ লাখ ২১ হাজাৰ কোটি টকা হয়। তেওঁ কয় যে ২০২৩-২৪ বৰ্ষত ব্যয় প্ৰায় ৭ দশমিক ৩ শতাংশ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। এইবাৰৰ বাজেটত কৃষি আৰু আনুসংগিক খণ্ড, গ্ৰামাঞ্চলৰ উন্নয়ন, নগৰ অঞ্চলৰ উন্নয়ন, স্বাস্থ্য আৰু সামাজিক কল্যাণৰ শিতানত আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে বাজেটত কোনো এটা শিতানত পূৰ্বৰ তুলনাত কম ধন আৱণ্টন কৰা হোৱা নাই। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেটত বিভিন্ন উদ্দেশ্যৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ চেষ্টা চলোৱা হৈছে যাতে উন্নত আৰু উচ্চ বিকাশৰ জৰিয়তে অসমানতা দূৰ কৰিব পৰা যায়। চৰকাৰে বাজেটত বিকাশ, কৰ্মসংস্থাপন, কল্যাণ, ব্যয়, মূলধনী বিনিয়োগ আৰু বিত্তীয় একত্ৰীকৰণৰ দৰে কাৰকসমূহৰ মাজত ভাৰসাম্য ৰক্ষাৰ চেষ্টা চলাইছে বুলি শ্ৰীমতী সীতাৰমনে উল্লেখ কৰে। তেওঁ কয় যে ২০২৪-২৫

বৰ্ষত ৰাজহ ঘাটি আৰু বিত্তীয় ঘাটিৰ অনুপাত ২০২০-২১ বৰ্ষৰ ৮০ শতাংশৰ পৰা ৩৬ শতাংশলৈ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। ২০১৩-১৪ বৰ্ষত কৃষি আৰু কৃষক কল্যাণ বিভাগৰ বাবে বাজেটত ২১ হাজাৰ ৯৩৪ কোটি টকা আবণ্টন দিয়া হৈছিল বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে কয় যে এই ধন বৰ্তমান ১ লাখ ২৩ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ শুভাৰম্ভ কৰাৰে পৰা আঁচনিখনৰ অধীনত ১১ কোটিৰো অধিক কৃষকক ৩ লাখ ২০ হাজাৰ কোটি টকা প্ৰদান কৰা হৈছে।

কৰ্মসংস্থাপনহীনতা সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী সীতাৰমনে এন ডি এ চৰকাৰে বিগত ১০ বছৰত চাৰে ১২ কোটি কৰ্মসংস্থাপন সৃষ্টি কৰা বুলি দাবী কৰে। তেওঁ লগতে ইউ পি এ চৰকাৰৰ দিনত ১০ বছৰত মাত্ৰ ২ কোটি ৩০ লাখ কৰ্মসংস্থাপন সৃষ্টি হৈছিল বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে দেশত বিগত দশকত কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পাইছে আৰু ২০২৪ বৰ্ষত এনে সুযোগ ২০১৪ বৰ্ষৰ ৩৪ শতাংশৰ পৰা ৫১ শতাংশলৈ বৃদ্ধি পাইছে। চৰকাৰে গ্ৰহণ কৰা দক্ষতা বিকাশৰ বিভিন্ন উদ্যমৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পোৱা বুলি বিত্ত মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ  কয় যে এইবেলি কেন্দ্ৰীয় বাজেটত দক্ষতা বিকাশৰ বাবে ৫খন আঁচনিৰ এটা পেকেজ ঘোষণা কৰা হৈছে। ২০২০ আৰু ২০২৩ বৰ্ষৰ মাজৰ সময়ছোৱাত দেশত মুদ্ৰাস্ফীতিৰ হাৰ গোলকীয় গড় হাৰতকৈ যথেষ্ট কম হৈ থকা বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে কয় যে কোভিড মহামাৰী সত্বেও নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা অৰ্থনৈতিক পৰিকল্পনাৰ বাবেই অৰ্থব্যৱস্থাৰ ওপৰত মুদ্ৰাস্ফীতিৰ বিৰূপ প্ৰভাৱ পৰা নাই। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বাজেট ভাষণত কোনো ৰাজ্যৰ নাম উল্লেখ নকৰাৰ অৰ্থ এইটো নহয় যে ৰাজ্যসমূহক ধন আৱণ্টন কৰা হোৱা নাই। তেওঁ কয় যে ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটত পূৰ্বৰ সকলো সাফল্য অধিক সুদৃঢ় কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে আৰু প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাৰ পৰিকল্পনা যুগুতাই উলিওৱা হৈছে। তেওঁ কয় যে চৰকাৰে সমগ্ৰ ৰাষ্ট্ৰৰ দৃষ্টিভংগীৰে জনসাধাৰণৰ আকাংক্ষা পূৰণৰ প্ৰয়াসত ব্ৰতী হৈ আছে।

ৰাজ্যসভাতো কালি বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ এন চি পিৰ প্ৰফুল্ল পেটেলে কয় যে, কেন্দ্ৰীয় চৰকাৰে বিত্তীয় অনুশাসনমূলক দৃষ্টিভংগী গ্ৰহণ কৰাৰ লগতে ২০১৪ চনৰে পৰা দেশৰ বিত্তীয় অৱস্থা বৰ্তাই ৰখাত সফল হৈছে। তেওঁ কয় যে, যুৱক-যুৱতীসকলৰ বাবে নিয়োগ সৃষ্টি এইবাৰৰ বাজেটৰ  অন্যতম লক্ষ্য হিচাপে পৰিগণিত হৈছে। তদুপৰি চৰকাৰে এইবাৰৰ বাজেটত আন্তঃগাঁথনি খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ মন্তব্য কৰে।

অনুৰূপ মত প্ৰকাশ কৰি বিজেপি সাংসদ ভুৱনেশ্বৰ কলিতাই কয় যে এইবাৰ বাজেটত দৰিদ্ৰ, কৃষক, মহিলা, মধ্যবিত্ত আৰু আন্তঃগাঠনিৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। দৰিদ্ৰতা দূৰীকৰণৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ প্ৰশংসা কৰি সাংসদগৰাকীয়ে কয় যে, এনে পদক্ষেপৰ বাবে ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হবলৈ সমৰ্থ হৈছে।  তেওঁ কয় যে চৰকাৰে ৮০ কোটি লোকক বিনামূলীয়া খাদ্য সামগ্ৰী যোগান ধৰি আহিছে। আলোচনাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কয় যে বাজেট দেশৰ সৰ্বাত্মক বিকাশ আৰু আৰ্থসামাজিক বিকাশৰ আহিলাস্বৰূপ। তেওঁ কয় যে এইবাৰৰ বাজেটত আন্তঃগাঁথনি উন্নয়নৰ লগতে কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্ব আৰোপ কৰা হৈছে। বাজেটত দৰিদ্ৰতা দূৰীকৰণ, দুখীয়া লোকৰ সৱলীকৰণ, খেতিয়কসকলক সাহায্য প্ৰদান আৰু গাঁওসমূহ সুদৃঢ় কৰি তোলাত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে বুলি শ্ৰীনাড্ডাই প্ৰকাশ কৰে। তেওঁ লগতে জন ধন যোজনা আৰু প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাকে ধৰি সমাজৰ দুখীয়া আৰু

উপান্ত শ্ৰেণীৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উদ্যমৰ কথা উল্লেখ কৰে। এই আলোচনা কালি অমীমাংসিত হৈ ৰয়।

00000

পেৰিছ অলিম্পিকৰ আজি পঞ্চম দিনা ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হ'ব। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা বক্সাৰ লাভলীনা বৰগোঁহাইয়ে নৰৱেৰ সুন্নিভা হফষ্টাডৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে এইবাৰৰ অলিম্পিকত নিজৰ অভিযান আৰম্ভ কৰিব। শুটিঙত ঐশ্চৰী প্ৰতাপ সিং টোমৰে পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিচন শিতানৰ যোগ্যতা নিৰূপণ পৰ্যায়ৰ যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ ট্ৰেপ শুটিঙৰ যোগ্যতা নিৰূপণ পৰ্যায়ৰ প্ৰথম দিনা ৬৮ পইণ্টকৈ লাভ কৰা শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰীয়ে আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। আনহাতে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত শিতানত ভাগ ল'ব।

বেডমিণ্টনত পুৰুষৰ ছিংগলছত লক্ষ্য সেন ইণ্ডোনেছিয়াৰ জনাতন কৃষ্টিৰ সন্মুখীন হোৱাৰ বিপৰীতে এইছ এছ প্ৰণয় ভিয়েটনামৰ ড্যুক ফেট লেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, মহিলাৰ ছিংগলছত পি ভি সিন্ধুৱে ইষ্টোনিয়াৰ কৃষ্টিন কিউবাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

শ্ৰীজা অকুলাই টেবুল টেনিছৰ এখন খেলত ছিংগাপুৰৰ চিয়ান জেঙৰ সন্মুখীন হ'ব।

আৰ্চাৰীত তৰুণদীপ ৰায় আৰু দীপিকা কুমাৰীয়ে ক্ৰমে পুৰুষ আৰু মহিলাৰ এলিমিনেশ্যন ৰাউণ্ডত দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতে এইবাৰৰ অলিম্পিকত বৰ্তমানলৈকে দুটা পদক লাভ কৰিছে।

00000

কেৰালাৰ ৱায়ানাডত ভূমিস্খলনত নিহতৰ সংখ্যা ১২০ জনলৈ বৃদ্ধি পাইছে। সেনা, বায়ুসেনা আৰু নৌসেনাৰ সমন্বিত প্ৰচেষ্টাত চাৰি শতাধিক লোকক ধ্বংসাৱশেষৰ পৰা উদ্ধাৰ কৰা হৈছে। আৱদ্ধ লোকসকলক উদ্ধাৰ কৰি বায়ুসেনাই বিশেষ বিমানৰ জৰিয়তে চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। সেনাই জনোৱা মতে, মুণ্ডাক্কাই গাঁৱৰ পৰা প্ৰায় ১৫০ জন লোকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ভাৰতীয় সেনাই মানৱীয় আৰু দুৰ্যোগ সাহাৰ্যৰ প্ৰয়াসক ফলপ্ৰসু কৰিবলৈ কোজিকোডত এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰিছে। জিলাখনত ৪৫টা সাহায্য শিবিৰ মুকলি কৰি ৩০৬৯ জন লোকক আশ্ৰয় প্ৰদান কৰা হৈছে। কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি ৱায়ানাদ ভ্ৰমণ কৰিব। ৱায়ানাড, থ্ৰিছুৰ, কাছাৰাগোড, পাথানামথিটা, মালাপ্পুৰম, কান্নুৰ, এৰ্নাকুলাম, ইডুক্কি, পলাক্কাড আৰু কোজিকোডেৰ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰা হৈছে।

00000

সমাপ্ত